# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-03-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
- - - - - - - - - - - - - -

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। আজি নিশাটো দেৰগাঁৱত কটোৰাৰ পাছত কাইলৈ পুৱাৰ ভাগত তেওঁ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। ১৬৭ কোটি ৪০ লাখ টকাৰ ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। ইয়াৰ পাছত গৃহমন্ত্ৰীগৰাকী যোৰহাট হৈ আইজললৈ যাত্ৰা কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। উল্লেখযোগ্য যে, যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছ বাহিনীৰ মাজত সম্পাদিত চুক্তি অনুসৰি আইজল নগৰৰ সোঁমাজত থকা আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা জোখ'ছাঙলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এই চুক্তি অনুসৰি আছাম ৰাইফলছৰ আইজলৰ খাটলাত থকা মিজোৰাম খণ্ডৰ আঞ্চলিক চৌহদ আৰু টুইখোৰটলাঙৰ ৰাজভৱনৰ সমীপত থকা উপ-আৰক্ষী মহাপৰিদৰ্শকৰ চৰকাৰী বাসভৱন স্থানান্তৰিত কৰা নহয়। উল্লেখযোগ্য যে, জোখ'ছাঙত বাহিনীটোৰ মূল শিবিৰৰ নিৰ্মাণৰ কাম গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা বছৰৰ এপ্ৰিল মাহত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী আইজলৰ পৰা গুৱাহাটীলৈ উভতি আহি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত নিশাটো অতিবাহিত কৰিব। পৰহিলৈ গৃহমন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে শ্ৰীশ্বাহে গুৱাহাটীৰ হোটেল ৰেডিশ্বন ব্লুত ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰপেটা জিলাৰ শ্ৰীশ্ৰীপাটবাউসী সত্ৰত ১৯ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে ৫০ লাখ টকা ব্যয় সাপেক্ষে পাটবাউসী সত্ৰৰ শ্ৰীশ্ৰীশংকৰদেৱৰ থানত নিৰ্মাণ কৰা সংগ্ৰহালয়টো মুকলি কৰে। ড০ শৰ্মাই শ্ৰীশ্ৰী শংকৰদেৱৰ থান, দেৱ দামোদৰ গুৰুৰ আদিধাম, চূণপোৰা ভিঠি থানত সেৱা আগবঢ়োৱাৰ উপৰি ইয়াৰ সৈতে জড়িত বহুকেইটা সৌন্দৰ্যবৰ্ধন আৰু উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। বৰপেটাত পৰ্যটন আৰু তীৰ্থ ভ্ৰমণৰ সুবিধাৰ বিকাশৰ উপৰি সবল আন্তঃগাঁথনিৰে নিয়োগ আৰু ৰাজহ সৃষ্টিৰ ক্ষেত্ৰত এই প্ৰকল্পসমূহে বিশেষভাৱে অৰিহণা যোগাব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই আজি দৌল উৎসৱ উপলক্ষে বটদ্ৰৱা থানলৈও যায়।

তাত তেওঁ ভক্তসকলৰ সৈতে নাগাৰা নাম পৰিৱেশত যোগ দিয়াৰ লগতে দৌল উৎসৱত ভাগ লয়। তেওঁ লগতে বৰপেটাৰ অনুপম হোলী গীত পৰিৱেশনো উপভোগ কৰে। মুখ্যমন্ত্ৰীগৰাকীক আজি বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ মন্ত্ৰ্যালয়ৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰঞ্জিত কুমাৰ দাসৰ উপৰি বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে সংগ দিয়ে।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত **ফাকুৱা বা দৌল উৎসৱৰ ৰং** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনত থকা আকাশবাণীৰ কেইবাগৰাকীও সংবাদদাতা আৰু কেইবাগৰাকীও শ্ৰোতাই সময়ৰ সোঁতত এই উৎসৱৰ পৰিৱৰ্তন আৰু আকৰ্ষণ সম্পৰ্কত মতামত ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আনহাতে, বাতৰি বিভাগে অহা দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটীত কৰ্মৰত সাংবাদিকসকলে পৰিৱেশন কৰা **গান্ধাৰীৰ অভিশাপ** নামৰ ভাওনাৰ বিষয়ে বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই ভাওনাখনৰ পৰিকল্পনা ঋতুপৰ্ণ দাসৰ আৰু পৰিচালনা ড° দীপেন দাসৰ। গুৱাহাটীৰ বিভিন্ন বৈদ্যুতিন চেনেলৰ সাংবাদিকে অভিনয় কৰা এই ভাওনাখনিত ধৃতৰাষ্ট্ৰৰ চৰিত্ৰত অভিনয় কৰিছে মৃগাংক শইকীয়া, কৰ্ণ চৰিত্ৰত শোণিত কুমাৰ ভূঞা, শকুনি চৰিত্ৰত অভিজিৎ গোস্বামী আৰু কৃষ্ণৰ চৰিত্ৰত অভিনয় কৰিছে বিমল ভূষণ মহন্তই। গান্ধাৰীৰ চৰিত্ৰত অভিনয় কৰিছে এঞ্জেলা চাংমাই।

০০০

অসমৰ গামোচাই ভৌগোলিক মান্যতা লাভ কৰাৰ পাছত জিলা প্ৰশাসনসমূহে বহিঃৰাজ্যৰ গামোচা যাতে বেচা-কিনা নহয় এই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছে। হোজাই জিলা প্ৰশাসনে ব্যক্তি অথবা ব্যৱসায় প্ৰতিষ্ঠানক থলুৱা শিপিনীৰ দ্বাৰা উৎপাদিত হাতে বোৱা গামোচা ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, এই নিষেধাজ্ঞাক আওকান কৰা ব্যক্তি বা ব্যৱসায়ী প্ৰতিষ্ঠানৰ বিৰুদ্ধে ভাৰত চৰকাৰৰ হস্ততাঁত আইন ১৯৮৫ৰ তিনি নম্বৰ ধাৰাৰ অধীনত ব্যৱস্থা লোৱা হয়। সেই অনুসৰি ছমাহ কাৰাদণ্ড আৰু পাঁচ হাজাৰ টকা জৰিমনা ভৰিবলগীয়া হয়।

০০০

ঃঃ সমাপ্ত ঃঃ